# **REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-09-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি অনুষ্ঠিত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত নলবাৰীৰ এগৰাকী ছাত্ৰীয়ে পৰীক্ষাগৃহত প্ৰৱেশৰ পূৰ্বে চলোৱা তালাচী সন্দৰ্ভত উত্থাপন কৰা অভিযোগ সম্পৰ্কে অসম আৰক্ষীক তদন্তৰ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই পৰীক্ষা  স্বচ্ছ আৰু নিকাকৈ অনুষ্ঠিত কৰাটোৱেই চৰকাৰৰ লক্ষ্য যদিও কোনো লোকৰে মৰ্যাদা আৰু সন্মানকলৈ আপোচ কৰা নহ'ব। বিষয়টো চিন্তনীয় হোৱা হেতুকে অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ সৈতে আলোচনা কৰি ঘটনাৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে, নৱ-প্ৰজন্মৰ কল্যাণৰ হকে এই পৰীক্ষা নিকা ৰূপত আৰু স্বচ্ছতাৰে আয়োজন কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ অনিয়মক প্ৰশ্ৰয় দিয়া নহ'ব।  একে সময়তে মহিলা প্ৰাৰ্থীৰ শালীনতা, মৰ্যাদা ৰক্ষা নিশ্চিত কৰাটোও চৰকাৰৰ অন্যতম লক্ষ্য বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মহিলাৰ সৈতে জড়িত তালাচী চলোৱা সন্দৰ্ভত আদালতে দিয়া প্ৰাসংগিক ৰায় আৰু মহিলা আয়োগৰ নিৰ্দেশনা অনুসৰি পৰৱৰ্তী পৰীক্ষাৰ পূৰ্বে এটা মানসন্মত বিধি প্ৰস্তুত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইপিনে, উত্তৰ লখিমপুৰত পৰীক্ষাৰ পূৰ্বে চলোৱা তালাচীৰ সময়ত এগৰাকী পৰীক্ষাৰ্থীৰ অন্তৰ্বাসৰ ভিতৰৰ পৰা নকলৰ সামগ্ৰী উদ্ধাৰ কৰা বুলিও জানিব পৰা গৈছে।

আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে মুখ্যমন্ত্ৰীৰ এই নিৰ্দেশ সন্দৰ্ভত ইতিমধ্যে তদন্তৰ ঘোষণা কৰা হৈছে বুলি প্ৰকাশ কৰাৰ লগতে তালাচী সন্দৰ্ভত পৰৱৰ্তী পৰীক্ষাৰ পূৰ্বে নীতি-নিৰ্দেশনা জাৰি কৰা হ'ব বুলিও জানিবলৈ দিছে।

০০০০০০০

**স্বভাৱ স্বচ্ছতা-সংস্কাৰ স্বচ্ছতা** বিষয়বস্তু হিচাপে লৈ কাইলৈ দেশত স্বচ্ছতাই সেৱা অভিযান ২০২৪ আৰম্ভ হব। এই অভিযান  অহা ২ অক্টোবৰলৈকে চলিব। দেশৰ পৰ্যটনস্থলী, ৰাজহুৱা ভৱন, বাণিজ্যিক অঞ্চল, জলাশয়, চিৰিয়াখানা তথা ৰাজহুৱা প্ৰস্ৰাৱগাৰৰ দৰে বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে এই অভিযান চলোৱা হ'ব।  এই উপলক্ষে আজিও বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে স্বচ্ছতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। উত্তৰ পূৰ্ব সীমান্ত ৰেলৰে আজি শপত গ্ৰহণ কাৰ্যসূচীৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। উত্তৰ পূৰ্ব সীমান্ত ৰেলৰে মহাপ্ৰবন্ধকৰ পৰিচালনাত বিভাগৰ জ্যেষ্ঠ বিষয়া, কৰ্মচাৰী, বিভিন্ন সংস্থা আৰু একতা সভাৰ প্ৰতিনিধিৰ উপস্থিতিত  এই অনুষ্ঠানৰ আয়োজন কৰা হয়। উত্তৰ পূৰ্ব সীমান্ত ৰেলৰেৰ সকলো মণ্ডলতে অনুষ্ঠিত এই কাৰ্যসূচীৰ জৰিয়তে ৰেল বিভাগৰ কৰ্মচাৰী আৰু যাত্ৰীসকলৰ মাজত অনাময়ৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে হাতত লোৱা হৈছে। এই অভিযানত চাফাই মিত্ৰ, অনাময় কৰ্মী আৰু আন আন অংশীদাৰসকলক স্বীকৃতি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ সকলো মন্ত্ৰালয়ে দেশজুৰি জনসাধাৰণৰ বাবে স্বচ্ছতাৰ বাবে বিভিন্ন কাৰ্যসূচী আয়োজনৰ পৰিকল্পনা কৰিছে। সমাজৰ ভিন্ন দৃষ্টিভংগীৰ আধাৰত তিনিটা মুখ্য দিশক সামৰি চলিত বৰ্ষৰ অভিযান আয়োজন কৰা হৈছে। এই দিশসমূহ হৈছে- স্বচ্ছতা বিশেষ গোটসমূহৰ বাবে শ্ৰমদান কাৰ্যসূচী,

স্বচ্ছতাত জনসাধাৰণৰ অংশগ্ৰহণ আৰু ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ। এই অভিযানত দেশজুৰি নাগৰিক সকলকে ধৰি বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান, বেচৰকাৰী সংস্থা, উন্নয়নমূলক সংস্থা, স্থানীয় নগৰীয়া গোটসমূহ, পঞ্চায়ত তথা বিভিন্ন অংশীদাৰীয়ে অংশগ্ৰহণ কৰিব। সমগ্ৰ চৰকাৰ দৃষ্টিভংগীৰ অধীনত সকলো ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল, মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰালয় তথা স্থানীয় গোটসমূহে দেশজুৰি এই অভিযান সফল কৰিবলৈ স্বচ্ছতা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ০০০

০০০০০০০

অষ্টম ভাৰত জল সপ্তাহ, ২০২৪ কাইলৈৰে পৰা নতুন দিল্লীত অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰত মণ্ডপমত এই কাৰ্যসূচী উদ্বোধন কৰিব। চাৰিদিনীয়া এই কাৰ্যসূচীত ২০০ গৰাকী বিদেশী প্ৰতিনিধিসহ ৪০ খন দেশৰ প্ৰায় ৪ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। প্ৰদৰ্শনীৰ সময়ছোৱাত ১০০ কৈও অধিক প্ৰদৰ্শক আৰু ষ্টাৰ্টআপে জল ক্ষেত্ৰত নিজ নিজ ভাৱাদৰ্শ প্ৰদৰ্শন কৰিব। নতুন দিল্লীত অনুষ্ঠিত সংবাদমেলত জলশক্তি মন্ত্ৰালয়ৰ সচিব দেৱশ্ৰী মুখাৰ্জীয়ে কয় যে উপযুক্ত জল ব্যৱস্থাপনাই দেশৰ আৰ্থিক বৃদ্ধি ত্বৰান্বিত কৰিব। তেওঁ কয় যে এই অনুষ্ঠানে বিশ্বৰ বিভিন্ন প্ৰান্তৰ জলসম্পদৰ ক্ষেত্ৰত গোলকীয় পৰ্যায়ৰ নীতি নিৰ্ধাৰণকাৰী গৱেষক, বিশেষজ্ঞ, উদ্ভাৱক আৰু অংশীদাৰসকলৰ পৰা তেওঁলোকৰ ভাৱধাৰা আৰু মতামত আহৰণৰ বাবে ই এক গোলকীয় মঞ্চ হিচাপে কাম কৰিব। শ্ৰীমতী মুখাৰ্জীয়ে এই অনুষ্ঠানৰ বিষয়বস্তু - 'সৰ্বাংগীন জল উন্নয়ন আৰু ব্যৱস্থাপনাৰ হকে অংশীদাৰিত্ব আৰু সহযোগিতা' বুলি জানিবলৈ দিয়ে।

০০০০০০০০

বিধানসভা সমষ্টি ভিত্তিত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত মন্ত্ৰী অতুল বৰাই আজি গোলাঘাট জিলাৰ বোকাখাটত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। নাৰী সৱলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ কৰা এই অভিলাসী আঁচনিখন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অহা ১৯ চেপ্তেম্বৰত গুৱাহাটীৰ পৰা কেন্দ্ৰীয়ভাৱে মুকলি কৰিব। মন্ত্ৰী শ্ৰীবৰাই বোকাখাটত অনুষ্ঠানটিত অংশগ্ৰহণ কৰিবলগীয়া ৰাইজৰ সা-সুবিধাৰ যাৱতীয় ব্যৱস্থা কৰিবৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। পৰ্যালোচনা বৈঠকত জিলাখনৰ অতিৰিক্ত আয়ুক্তসকলকে ধৰি প্ৰশাসনীয় কেইবাজনো বিষয়া উপস্থিত থাকে।

০০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আজি অসমতো পয়গম্বৰ মহম্মদৰ জন্মদিনটো মিলাদ-উন-নবী হিচাপে পালন কৰা হয়। এই উপলক্ষে পয়গম্বৰ মহম্মদৰ জীৱন তথা আদৰ্শৰ ওপৰত আলোকপাত কৰি মিলাদ তথা ছিৰাট সন্মিলনৰ আয়োজন কৰা হয়।

হাইলাকন্দি জিলাত আজি আয়োজিত মিলাদ-উন-নবীৰ অনুষ্ঠানত বহু লোকে অংশগ্ৰহণ কৰে। বিশ্ব নবী হিচাপে পৰিগণিত হৰজৰত মহম্মদৰ জন্মদিন উপলক্ষে পালন কৰা এই উৎসৱ উপলক্ষে আজি হাইলাকান্দি চহৰৰ মাজেৰে শান্তি সমদল উলিওৱা হয়। কৰিমগঞ্জ জিলাৰ বদৰপুৰত আজি এই উপলক্ষে শান্তি শোভাযাত্ৰা উলিওৱা হয়।

ইপিনে, কোকৰাঝাৰ জিলাৰ ফকীৰাগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি মিলাদ-উন-নবী উদযাপন কৰা হয়। এই উপলক্ষে কোৰাণ পাঠৰ লগতে গজল, জিকিৰ-জাৰি আৰু হজৰত মহম্মদৰ জীৱনী লিখা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

০০০০০০০০

**সমাপ্ত**